# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 08-OCT-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

———————————————————

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি তিনিচুকীয়াত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত ১৪ হাজাৰ ৩০১ গৰাকী আত্মসহায়ক গোটৰ হিতাধিকাৰীক চেক প্ৰদান কৰে। ইয়াৰ ভিতৰত গ্ৰামাঞ্চলৰ ১০ হাজাৰ ৬৫৪ গৰাকী আৰু নগৰাঞ্চলৰ ৩ হাজাৰ ৬৪৭ গৰাকী হিতাধিকাৰী আছে। এই উপলক্ষে আজি কেহাং চাহ বাগিচাৰ টিংৰাই ক্লাব খেলপথাৰত আয়োজিত সভাত অংশ লৈ মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয়, যে নাৰী শক্তিক উদ্যোগীকৰণৰ দিশত সবল কৰি তোলাৰ লক্ষ্যৰে চৰকাৰে বিভিন্ন প্ৰচেষ্টা গ্ৰহণ কৰিছে। তেওঁ কয়, যে ৰাজ্যৰ ৪০ লাখ মহিলাৰ ভিতৰত ৮ লাখ মহিলাক ইতিমধ্যে লাখপতি বাইদেউলৈ উন্নীত কৰা হৈছে। ৰাজ্য চৰকাৰে আত্মসহায়ক গোটৰ ৪০ লাখ সদস্যাৰ প্ৰত্যেককে লাখপতি বাইদেউলৈ উন্নীত কৰাৰ প্ৰচেষ্টা চলোৱাৰ উপৰি এইক্ষেত্ৰত তিনিবছৰীয়া পৰিকল্পনা হাতত লৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। আজিৰ অনুষ্ঠানত মন্ত্ৰী বিমল বৰা, ৰূপেশ গোৱালা, বিধায়ক সঞ্জয় কিষাণ, ভাস্কৰ শৰ্মা, অসম ৰাজ্যিক জীৱিকা অভিযানৰ মিছন সঞ্চালক কুন্তলমণি শৰ্মাকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ইপিনে মুখ্যমন্ত্ৰীৰ উজনি অসম ভ্ৰমণৰ সময়তে জনজাতিকৰণৰ দাবীত চাহ জনগোষ্ঠীৰ লোকসকলে বিশাল প্ৰতিবাদী কাৰ্যসূচী উলিওৱা সন্দৰ্ভত সাংবাদিকে সোধা এটা প্ৰশ্নৰ উত্তৰত ডঃ শৰ্মাই  কয়, যে এই দাবী হৈছে তেওঁলোকৰ ন্যায্য দাবী আৰু এই প্ৰতিবাদৰ প্ৰতি চৰকাৰৰো সমৰ্থন আছে।

মুখ্যমন্ত্ৰীগৰাকীয়ে ইয়াৰ পূৰ্বে তিনিচুকীয়া জিলাৰ নৱনিৰ্মিত আৰৰ্ত ভৱন চৌহদত এটি গছপুলি ৰোপণ কৰে।

ডঃ শৰ্মাই আজি ডিব্ৰুগড় জিলাত এটা স্বয়ংক্ৰিয় যান-বাহন উপযোগিতা পৰীক্ষণ কেন্দ্ৰ মুকলি কৰে। ১২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই পৰীক্ষণ কেন্দ্ৰটোত ঘণ্টাত দহখনকৈ গাড়ীৰ উপযোগিতা পৰীক্ষা কৰা হ'ব। ডিব্ৰুগড়ৰ এই কেন্দ্ৰটোৱে জিলাখনৰ লগতে তিনিচুকীয়া আৰু ধেমাজি জিলাৰ যান-বাহন উপযোগিতাৰ দ্ৰুত পৰীক্ষণ প্ৰক্ৰিয়া সম্পন্ন কৰিব। শেহতীয়াকৈ বিশ্বনাথ আৰু যোৰহাট জিলাত স্বয়ংক্ৰিয় যান-বাহন উপযোগিতা পৰীক্ষণ কেন্দ্ৰ মুকলি কৰা হয়। পৰৱৰ্তী সময়ত বৰপেটা, মঙলদৈ আৰু বদৰপুৰত এনে কেন্দ্ৰ স্থাপনৰ পৰিকল্পনা কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে।

ooooo

ডিব্ৰুগড়ত ব্ৰহ্মপুত্ৰৰ খহনীয়াই ভাবুকিৰ সৃষ্টি কৰিছে। নগৰখনৰ ফুলবাগানৰ সমীপৰ সুৰক্ষা বান্ধৰ নিচেই কাষতে হোৱা খহনীয়াত কালি এটা যোগ প্ৰশিক্ষণ কেন্দ্ৰৰ লগতে কছাৰীঘাটৰ বহু অংশ ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যায়। এই খহনীয়াৰ ফলত শতাধিক জিঅ' বেগো উটি যোৱা বুলি আমাৰ সংবাদদাতাই জনাইছে। এই খহনীয়াই নগৰখনৰ জগাৰ্ছ পাৰ্ককে ধৰি নদীকাষৰীয়া ভালেমান অনুষ্ঠান-প্ৰতিষ্ঠানলৈ ভাবুকি কঢ়িয়াই অনাত জনসাধাৰণ আতংকিত হৈ পৰিছে। আজি জলসম্পদ বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাই খহনীয়াৰ স্থান পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। কালি নিশাৰে পৰা অঞ্চলটোত খহনীয়া প্ৰতিৰোধৰ বাবে যুদ্ধকালীন ক্ষিপ্ৰতাৰে কাম কৰা হৈছে। এই সন্দৰ্ভত সবিশেষ জনাইছে ডিব্ৰুগড়ৰ পৰা আমাৰ সংবাদদাতা যাদৱ গগৈয়ে।

**ভইচ (যাদৱ গগৈ)**

০০০০০

শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটে আজি শিল্পীগৰাকীৰ সম্বন্ধীয় ভাতৃ তথা বকো সমজিলাৰ ভাৰপ্ৰাপ্ত আৰক্ষী অধীক্ষক সন্দীপন গাৰ্গক গ্ৰেপ্তাৰ কৰে। বিশেষ তদন্তকাৰী গোটে আজি সন্দীপন গাৰ্গক ১৪ দিনৰ জিম্মাত বিচাৰি কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱায়। অৱশ্যে আদালতে ৭ দিনৰ বাবে সন্দীপনক তদন্তকাৰী গোটৰ জিম্মালৈ প্ৰেৰণ কৰে। উল্লেখযোগ্য যে ছিংগাপুৰত অনুষ্ঠিত নৰ্থ-ইষ্ট ফেষ্টিভেললৈ জুবিন গাৰ্গৰ সৈতে তেওঁ একেলগে যোৱাৰ উপৰি ছিংগাপুৰৰ সাগৰত জুবিন গাৰ্গে সাঁতোৰাৰ সময়তো তেওঁ সেই স্থানত উপস্থিত আছিল। সেই সূত্ৰে বিশেষ তদন্তকাৰী গোটে সন্দীপন গাৰ্গক যোৱা কেইবাদিনো ধৰি সোধা-পোছাৰ অন্তত আজি তেওঁক গ্ৰেপ্তাৰ কৰে। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সংক্ৰান্তত এতিয়ালৈকে ৫ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। ইপিনে কণ্ঠশিল্পী মানস ৰবীনক আজি উলুবাৰীৰ চি আই ডিৰ কাৰ্যালয়ত বিশেষ তদন্তকাৰী গোটে সোধা-পোছা কৰে। শিল্পীগৰাকীয়ে জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত তেওঁৰ হাতত থকা প্ৰমাণ বিশেষ তদন্তকাৰী গোটক অৰ্পণ কৰে বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে।

০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ অন্তৰ্গত বুঢ়াপাহাৰ বনাঞ্চল আজিৰে পৰা পৰ্য্যটকৰ বাবে জীপ চাফাৰীৰ বাবে মুকলি কৰা হৈছে। আজি পুৱা উদ্যান কৰ্তৃপক্ষই বন্তি প্ৰজ্বলনেৰে বুঢ়া পাহাৰ বনাঞ্চলৰ আজিৰে পৰা শুভাৰম্ভ কৰা বুলি ঘোষণা কৰিছে।

০০০০০

সমাপ্ত